**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-NOV-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***
————————————————

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই কালি ডিব্ৰুগড় জিলাৰ চাবুৱাত  শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আন্তগাঁথনিৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। ক্ৰীড়া বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰ ৭টা বছৰ অতিক্ৰম কৰাৰ পাছতো আন্তগাঁথনিৰ ক্ষেত্ৰত কোনোধৰণৰ অগ্ৰগতি লাভ নকৰাত ৰাজ্যপালগৰাকীয়ে অসন্তুষ্টি ব্যক্ত কৰে। তেওঁ এই সন্দৰ্ভত অহা মাহৰ পৰা বিশ্ববিদ্যালয়খনৰ নিৰ্মাণ, নিযুক্তি, শিক্ষা ব্যৱস্থাকে ধৰি সকলো দিশ সামৰি ৰাজভৱনত পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে বৰ্তমান এই বিশ্ববিদ্যালয়খনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ লগতে দেশৰ প্ৰায় ৭খন ৰাজ্যৰ শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰি আছে।

০০০০০০

২০২৬-ৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বিজেপিৰ অসম প্ৰদেশৰ কৰ্ণধাৰ সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক কালি অনুষ্ঠিত হয়। বশিষ্ঠৰ বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাষ্ট্ৰীয় মুখপাত্ৰ ডাঃ সম্বিত পাত্ৰ, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি সমিতিৰ অন্যান্য সদস্যসকল উপস্থিত থাকে। বৈঠকৰ অন্তত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৩৬ খনকৈ উপ-সমিতি গঠন কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ লগতে নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভতো মত ব্যক্ত কৰে।

বাইট

০০০০০০

ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ বিষয়ে স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলৰ সদস্যসকলৰ সৈতে কালি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। নিৰ্বাচনী বিষয়া প্ৰাণজিল গগৈয়ে অধ্যক্ষতা কৰা এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱাই বিশেষ সংশোধনী প্ৰক্ৰিয়া সন্দৰ্ভত বিতংভাৱে আলোচনা কৰাৰ লগতে এই বিষয়ত সবিশেষ তথ্যও অৱগত কৰে।

০০০০০০

ডিব্ৰুগড় মিলনজ্যোতি সংঘৰ উদ্যোগত হ'বলগীয়া গ্ৰন্থমেলাত পশ্চিমবংগৰ প্ৰথিতযশা কবি, সাহিত্যিক সুবোধ চৰকাৰ উপস্থিত থাকিব। অহা ১২ ৰ পৰা ২২ ডিচেম্বৰলৈ হ'বলগীয়া ১০ দিনীয়া এই গ্ৰন্থমেলা ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত অনুষ্ঠিত হ'ব। প্ৰখ্যাত সাহিত্যক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীয়ে এই গ্ৰন্থমেলা উদ্বোধন কৰিব। এই উদ্বোধনী অনুষ্ঠানতে সাহিত্যিক সুবোধ চৰকাৰ আৰু অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে হোৱা অন্তৰংগ আলাপৰ আঁত ধৰিব ঔপন্যাসিক তথা গল্পকাৰ জুৰি বৰা বৰগোহাঞিয়ে। গ্ৰন্থমেলাৰ কবি সন্মিলন উদ্বোধন কৰিব জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনে। এই গ্ৰন্থমেলাত ড০ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গক সোঁৱৰণ কৰি গীত আৰু পথাৰ আলোচনা চক্ৰও অনুষ্ঠিত হ'ব বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনাইছে।

০০০০০০

তিনিচুকীয়াত দুটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ৪৬ কোটি টকাৰ কৰ ফাকিৰ অভিযোগৰ হেতু জি এছ টি বিভাগে কালি অভিযান চলায়। চহৰখনৰ ব্যৱসায় প্ৰতিষ্ঠান দুখনত গুৱাহাটীৰ পৰা যোৱা এটা ৮জনীয়া দলে অভিযান চলাই কেতবোৰ আপত্তিজনক নথিপত্ৰ জব্দ কৰে। সকলো অভিযুক্তকে ২৬ নৱেম্বৰত গুৱাহাটীৰ কৰ ভৱনত উপস্থিত হ'বলৈ জি এছ টি বিভাগৰ অভিযানকাৰী দলটোৱে জাননী জাৰি কৰিছে।

oooooo

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এছ'চিয়েছনৰ ষ্টেডিয়ামত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট আৰম্ভ হ'ব। খেলখন পুৱা ৯ বজাত আৰম্ভ হ'ব। অসম ক্ৰিকেটৰ ৭৬ বছৰীয়া ইতিহাসত ৰাজ্যখনত প্ৰথমবাৰৰ বাবে টেষ্ট মেচ অনুষ্ঠিত হ'ব। ডিঙিৰ আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত ঋষভ পণ্টে দলক নেতৃত্ব দিব।

oooooo

হোজাই জিলাৰ লামডিং ৰে'ল ষ্টেচনত ৰে'ল আৰক্ষীয়ে অভিযান চলাই কালি নামনিমুৱা আগৰতলা-ত্ৰিপুৰা সুন্দৰী এক্সপ্ৰেছ ৰে'লৰ ডবাৰ পৰা এক কিলোগ্ৰাম ওজনৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰিবলৈ সমৰ্থ হয়। সৰবৰাহকাৰীসকলে কেইবাটাও চিপছৰ পেকেট আৰু ১৫টা চাবোনৰ বাকচৰ ভিতৰত এই সামগ্ৰীখিনি লুকুৱাই আনিছিল বুলি ৰে'ল আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই সংক্ৰান্তত জড়িত কেইবাজনো লোকক ৰে'ল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

oooooo

৬৭ সংখ্যক আকাশবাণী সংগীত সন্মিলন আজি গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত আৰম্ভ হ'বলগীয়া এই সন্মিলনত যশস্বী শিল্পী মনোজ বৰুৱাই বেহেলা বাদন আৰু গোৱালপৰীয়া লোকগীতৰ শিল্পী জবা চক্ৰৱৰ্তীয়ে লোকগীত পৰিবেশন কৰিব। ঐতিহ্যমণ্ডিত ভাৰতীয় সংগীতধাৰাক বিশেষকৈ শাস্ত্ৰীয় সংগীত, লঘু শাস্ত্ৰীয় আৰু লোকসংগীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ে প্ৰচাৰ ভাৰতীৰ উদ্যোগত ১৯৫৪ চনৰে পৰা দেশৰ বিভিন্ন স্থানত আকাশবাণী সংগীত সন্মিলনৰ আয়োজন কৰি আহিছে।

oooooo

সমাপ্ত